# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 25-OCT-2025
**Time :** 1715 HRS

## *Assamese Evening Bulletin*

———————————————————————

সোণাপুৰৰ জুবিন গাৰ্গৰ সমাধিক্ষেত্ৰত আইন ভংগ কৰা লোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি সকীয়াই দিয়ে। তেওঁ কাছাৰৰ লক্ষীপুৰ বিধানসভা সমষ্টিৰ বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰি এই সন্দৰ্ভত কেইবাটাও গুৰুত্বপূৰ্ণ মন্তব্য কৰে। ৰাইজৰ অনুৰোধমৰ্মে জুবিনক্ষেত্ৰ বন্ধ কৰাৰ সময়সীমা নিশা ১০ বজাৰ পৰিৱৰ্তে ১১ বজালৈ বৃদ্ধি কৰা হৈছে বুলি তেওঁ কয়।

**ৰাইট (চি এম)**

মুখ্যমন্ত্ৰীগৰাকীয়ে আজি কাছাৰৰ লক্ষীপুৰ বিধানসভা সমষ্টিৰ বিন্নাকান্দি মণ্ডল বিজেপিৰ কাৰ্যালয় আৰু লক্ষীপুৰ মণ্ডল বিজেপিৰ কাৰ্যালয় উদ্বোধন কৰে। ইয়াৰ পাছত তেওঁ লাবক খেলপথাৰত লক্ষীপুৰ বিধানসভা সমষ্টিৰ ১৯ হাজাৰৰো অধিক মহিলাক মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা অভিযানৰ চেকসমূহ বিতৰণ কৰে। এই অনুষ্ঠানত অংশ লৈ তেওঁ কয়, যে বিজেপি চৰকাৰে মহিলাৰ উন্নয়নৰ বাবে অহৰহ কাম কৰি আছে। বৰ্তমান ৰাজ্যৰ প্ৰায় ৪ লাখ আত্মসহায়ক গোটৰ সৈতে ৪০ লাখ মহিলা জড়িত হৈ আছে বুলি তেওঁ কয়। অৰুণোদয় মহিলা উদ্যমিতা আঁচনিৰ জৰিয়তে মহিলাসকলক আৰ্থিকভাৱে স্বচ্ছল কৰি তোলাৰ বাবে চৰকাৰে পদক্ষেপ লৈছে বুলি তেওঁ কয়। মহিলাৰ সুৰক্ষা নিশ্চিত কৰিবলৈ লাভ জেহাদ ৰোধ কৰিবলৈ শীঘ্ৰেই নতুন আইন প্ৰণয়ন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰে। লাভ জেহাদত জড়িত থকা লোকৰ পিতৃ-মাতৃকো গ্ৰেপ্তাৰ কৰা হ'ব বুলি তেওঁ মন্তব্য কৰে।

ooooo

কোকৰাঝাৰ জিলাৰ শিঙিমাৰী ৰে'লৰে ট্ৰেকত যোৱা ২৩ অক্টোবৰত সংঘটিত আই ই ডি বিস্ফোৰণৰ ঘটনাত জড়িত বুলি সন্দেহ কৰা মাওবাদী অসীম হেমব্ৰম ওৰফে ৰোহিত মুৰ্মুৰ আৰক্ষীৰ সৈতে হোৱা এটা সংঘৰ্ষত কালি মৃত্যু হয়। ছালাকাটি আৰক্ষী চকীৰ সমীপৰ নন্দনগিৰি পাহাৰত সংঘটিত এই সংঘৰ্ষত মাওবাদীজন নিহত হোৱা বুলি কোকৰাঝাৰ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক পুষ্পৰাজ সিঙে সাংবাদিকৰ আগত প্ৰকাশ কৰে। নিহত মাওবাদীজন পাহাৰত লুকাই থকাৰ তথ্য লাভ কৰাৰ পাছতেই আৰক্ষীয়ে অভিযান আৰম্ভ কৰিছিল। এই সময়তে মাওবাদীৰ সৈতে হোৱা গুলীচালনাত ৰোহিত মুৰ্মুৰ মৃত্যু হয়। নিহত ৰোহিত মুৰ্মুৰ বিৰুদ্ধে ঝাৰখণ্ডত ১২টা আৰু অসমত দুটা গোচৰ ৰুজু হৈ আছে। শেহতীয়াকৈ জিলাখনৰ বহু আদিবাসী অধ্যুষিত এলেকাত ৰোহিত মুৰ্মুৱে নেচনেল চাওতাল লিবাৰেচন আৰ্মীৰ সদস্যভৰ্তিৰ কামত জড়িত হৈ আছিল। আজি অভিযানৰ সময়ত আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা এটা পিষ্টল, এটা গ্ৰেণেড, এখন ভোটাৰ কাৰ্ড আৰু

ঝাৰখণ্ডৰ এখন আধাৰ কাৰ্ড উদ্ধাৰ কৰে। নিহত মুৰ্মুৰ সহযোগীৰ সন্ধানত আৰক্ষীয়ে অঞ্চলটোত অভিযান অব্যাহত ৰাখিছে।

ooooo

কেন্দ্ৰীয় চৰকাৰৰ জনজাতি পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ উদ্যোগত যোৱা ১৭ অক্টোবৰত নতুন দিল্লীৰ বিজ্ঞান ভৱনত অনুষ্ঠিত **আদি কৰ্মযোগী অভিযান**ৰ ৰাষ্ট্ৰীয় সন্মিলনত কামৰূপ জিলাৰ বকো উন্নয়ন খণ্ডৰ এটা প্ৰতিনিধি দলে অংশগ্ৰহণ কৰে। উন্নয়ন খণ্ডটোৰ অন্তৰ্গত কলিয়াবৰী গাঁৱৰ আদি সাথী জিতুল ৰাভাক কৰ্মযোগী অভিযানৰ ৰাষ্ট্ৰীয় সন্মিলনত তেওঁৰ অসাধাৰণ নিষ্ঠা আৰু সেৱাৰ বাবে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সন্মানিত কৰে। আদি কৰ্মযোগী প্ৰতিনিধি দলটোৱে আজি কামৰূপ জিলাৰ আয়ুক্তক সাক্ষাৎ কৰি ৰাষ্ট্ৰীয় পৰ্যায়ত লাভ কৰা স্বীকৃতিৰ বিষয়ে অৱগত কৰে। জিলা আয়ুক্তই দলটোক অভিনন্দন জ্ঞাপন কৰাৰ লগতে এই অভিযানৰ অধীনত সামৰি লোৱা জিলাখনৰ ১২৮ খন গাঁৱত কামকাজ অব্যাহত ৰাখিবলৈ আহ্বান জনায়।

ooooo

দক্ষিণ শালমাৰা মানকাচৰৰ ফেকামাৰি আঞ্চলিক পঞ্চায়ত পুনৰ গঠনৰ বাবে গুৱাহাটী উচ্চ ন্যায়ালয়ে দিয়া নিৰ্দেশ মৰ্মে আজি  জিলা প্ৰশাসনে এখন সভা অনুষ্ঠিত কৰে। এই সভাত নিৰ্বাচিত ১৮ জন সদস্যক উপস্থিত থাকিবলৈ জিলা প্ৰশাসনে নিৰ্দেশ দিছিল যদিও ১০ গৰাকী সদস্য উপস্থিত থকাৰ বাবে পঞ্চায়ত গঠন কৰিব পৰা নগ'ল। অহা ১৫ দিনৰ ভিতৰত জিলা প্ৰশাসনে আঞ্চলিক পঞ্চায়তখন গঠনৰ বাবে দ্বিতীয়খন সভা অনুষ্ঠিত কৰিব। উল্লেখযোগ্য যে, জিলাখনৰ প্ৰশাসনৰ উদ্যোগত শান্তিপূৰ্ণভাৱে পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হোৱাৰ পাছত ২১ জুলাইত ফেকামাৰি আঞ্চলিক পঞ্চায়ত গঠন বাবে সভা অনুষ্ঠিত হৈছিল। সেইদিনা ৭ গৰাকী সদস্যই জাননী নোপোৱা বাবে অনুপস্থিত থাকি উচ্চ ন্যায়ালয়ৰ কাষ চাপিছিল। ইয়াৰ বাবে উচ্চ ন্যায়ালয়ে পূৰ্বৰ সমিতি বাতিল কৰি নতুন সমিতি গঠনৰ বাবে সময়সীমা নিৰ্ধাৰণ কৰি দিছিল।

ooooo

ষট পূজা উপলক্ষে গুৱাহাটীৰ আৰক্ষী উপায়ুক্ত কাৰ্যালয়ে অহা ২৭ আৰু ২৮ অক্টোবৰত মহানগৰীখনত যানবাহন চলাচলৰ ক্ষেত্ৰত কেতবোৰ নীতি-নিৰ্দেশনা জৰি কৰিছে। ২৭ অক্টোবৰৰ দিনৰ ১১ বজাৰ পৰা ২৮ অক্টোবৰৰ দিনৰ ১১ বজালৈ এই নিৰ্দেশনাসমূহ কাৰ্যকৰী হ'ব। এই অনুসৰি গুৱাহাটী মহানগৰীত এই সময়ছোৱাত সামগ্ৰী পৰিবাহী গধূৰ বাণিজ্যিক বাহন আৰু অন্য গধূৰ বাহন প্ৰৱেশত বাধা আৰোপ কৰা হৈছে। অৱশ্যে মাছখোৱা অঞ্চলত পূজাৰ সামগ্ৰী আৰু ভক্তসকলক কঢ়িয়াই নিয়া বাহনসমূহ চলাচলত অনুমতি দিয়া হ'ব। ঠেলা, ৰিক্সা, ঘোঁৰাগাড়ীকে ধৰি লঘূ বাহনসমূহ মাছখোৱাৰ পৰা মুখ্য ন্যায়াধীশৰ ভৱনলৈ পথছোৱাত এই সময়ছোৱাত চলাচলৰ অনুমতি দিয়া হ'ব। তদুপৰি আন্তঃজিলা বাছসমূহ ৰাষ্ট্ৰীয় ঘাইপথেৰেহে চলাচল কৰাৰ অনুমতি দিয়া হৈছে। ভৰলুমুখৰ দিশৰ পৰা চানমাৰি অভিমুখী ছিটী বাছসমূহ এইছ বি ৰোড নাইবা এ টি ৰোডৰ বিকল্প পথ ল'বলৈ কোৱা হৈছে। একেদৰে চানমাৰি দিশৰ পৰা অহা ছিটীবাছ তথা অন্যান্য বাহনসমূহ  পাণবজাৰৰ ছেচন ন্যায়াধীশৰ আদালতৰ সন্মুখেৰে ভৰলু মুখলৈ যাবলৈ নিৰ্দেশ দিয়া হৈছে।

ooooo

সমাপ্ত